**6 SEM TDC ASM M 3**

**2 0 1 4**

( May )

# ASSAMESE

( Major )

Course : 603

**( অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ (যি কোনো **পাঁচোটাৰ**) : ১×৫=৫

(ক) 'অসমীয়া বৰ্ণপ্ৰকাশ' গ্ৰন্থখনৰ লেখক কোন?

(খ) উচ্চাৰণ-কৰণ বুলিলে বাগিন্দ্ৰিয়ৰ কোনকেইটা অংশক বুজায়?

(গ) 'নদীয়াল' আৰু 'গঞা'—এই শব্দ দুটাত কি প্ৰত্যয় যোগ হৈছে, ভাঙি দেখুওৱাঁ।

(ঘ) অসমীয়া ভাষাৰ বিশিষ্ট উষ্মধ্বনি কেইটা আৰু কি কি?

(ঙ) ওঁঠৰ আকৃতি অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিসমূহক কি দুটা ভাগত ভাগ কৰা হৈছে?

(চ) অসমীয়া ভাষাৰ কণ্ঠনালীয় ধ্বনিটো কি?

(ছ) 'বচন' অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় হয়নে?

২। (ক) বাগিন্দ্ৰিয়ৰ এটি চিত্ৰ আঁকি উচ্চাৰণ-স্থানসমূহ নিৰ্দেশ কৰাঁ। লগতে ধ্বনিৰ উচ্চাৰণত বাগিন্দ্ৰিয়ৰ উচ্চাৰণ-স্থান আৰু উচ্চাৰণ-কৰণৰ ভূমিকা সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ৫+৮

অথবা

(খ) ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ বিষয়ে একোটাকৈ টোকা লিখি ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ মাজৰ সম্পৰ্ক নিৰূপণ কৰাঁ। ৯+

৩। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৩

(ক) অক্ষৰ

(খ) শ্বাসাঘাত

(গ) অপিনিহিতি

(ঘ) স্বৰাগম

৪। (ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ এখনি তালিকা প্ৰস্তুত কৰি প্ৰতিটো স্বৰৰ আদি আৰু মধ্য অৱস্থানত বিৰোধ বিচাৰ কৰি দেখুওৱাঁ। ৪+





অথবা

(খ) স্বৰ সংযুতি বুলিলে কি বুজা? অসমীয়া ভাষাৰ স্বৰ সংযুতিৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ৪+৮=১২

৫। (ক) তলত দিয়া বিশিষ্ট ধ্বনিসমূহৰ অঘোষ-সঘোষ বিচাৰ কৰাঁ : $\frac{১}{২}$×৬=৩

অ ; ঘ ; ঙ ; থ ; ন ; ব।

অথবা

(খ) তলত দিয়া বিশিষ্ট ধ্বনিসমূহৰ অল্পপ্ৰাণ-মহাপ্ৰাণ বিচাৰ কৰাঁ : $\frac{১}{২}$×৬=৩

ক ; দ ; প ; গ ; ভ ; খ।

৬। (ক) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি কাক বোলে? প্ৰাকৃতিৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে উদাহৰণসহ এটি টোকা যুগুত কৰাঁ। ৬+৮=১৪

অথবা

(খ) চমু টোকা লিখাঁ : ৭×২=১৪

(১) ৰূপতত্ত্ব আৰু ৰূপবিজ্ঞান

(২) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ মাজত থকা সম্পৰ্ক আৰু পাৰ্থক্য

৭। (ক) অসমীয়া ভাষাৰ শব্দগঠন প্ৰক্ৰিয়াত পূৰ্ব প্ৰত্যয় আৰু পৰ প্ৰত্যয়ৰ ভূমিকা সম্পৰ্কে উদাহৰণসহ এটি আলোচনা আগবঢ়োৱাঁ। ৬+৬=১২

অথবা

(খ) তলত দিয়া যি কোনো এটাৰ বিষয়ে লিখাঁ :

(১) অসমীয়া ভাষাৰ ক্রিয়াৰ গঠন আৰু প্রকাৰ

(২) অসমীয়া ভাষাৰ লিংগ আৰু বচন

৮। (ক) বাক্যতত্ত্ব বা বাক্যবিন্যাস বুলিলে কি বুজা? অসমীয়া ভাষাৰ বাক্যগঠন সম্পর্কে বিতংভাৱে আলোচনা কৰাঁ। ৩+১২=

অথবা

(খ) চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৫×৩=

(১) সৰল বাক্য

(২) বাক্যৰ উদ্দেশ্য আৰু বিধেয়

(৩) যোগ্যতা

(৪) যৌগিক বাক্য

★★★